# শক্তিপীঠ কামাখ্যা

ভাৰতৰ একান্ন খন শক্তিপীঠৰ ভিতৰত কামাখ্যাও অন্যতম। পুণ্যতীৰ্থ কামাখ্যা ব্ৰহ্মপুত্ৰৰ পাৰৰ গুৱাহাটীৰ নীলাচল পাহাৰৰ ওপৰত অৱস্থিত। ইয়াত সতীৰ মুখ্য অংগ যোনি পৰিছিল বাবে ই পীঠশ্ৰেষ্ঠ।

অসমত অতি প্ৰাচীনকালৰে পৰা শক্তি পূজাৰ পৰম্পৰা চলি আহিছিল। মাতৃ শক্তি বা আদ্যাশক্তিকেই প্ৰাচীন কালৰে পৰা উপাস্য দেৱীৰূপে গ্ৰহণ কৰি আহিছে। মাতৃশক্তিৰ পূজা উপাসনাত নিজস্ব জনবিশ্বাস, উৰ্বৰা শক্তি বৃদ্ধিৰ আকাংক্ষা ওতঃপ্ৰোত ভাৱে জৰিত। কিয়নো যোনিয়ে পৃথিৱী বা বসুমতীৰো অন্যৰূপ। কামাখ্যাৰ যোনিপীঠ তেনে আদিম জনজাতীয় জনবিশ্বাসৰ আধাৰত গঢ়ি উঠাৰ পিছত এক বৃহৎ আৰু পবিত্ৰ শক্তিস্থললৈ ৰূপান্তৰিত হয়।

"কামাখ্যা বৰদে দেৱি নীলপৰ্বতবাসিনী
ত্বং দেৱি জগতাংমাত যৌনিমুদ্ৰে নমোহস্তুতে।।"

অৰ্থাৎ নীলাচল পৰ্বতত বাস কৰা দেৱী কামাখ্যা সেই দেৱী যোনি ৰূপেৰে জগত মাতৃ।।

কামাখ্যাৰ যোনিপীঠ আৰু যোনিমণ্ডল এই দুয়োখন সুকীয়া ভিন্ন স্থান। যোনিপীঠ হৈছে এক বিস্তৃত ভূমিখণ্ড। ইয়াৰ পৰিমান পাঁচক্ৰোশ। যোনীপীঠৰ অন্তৰ্গত নীলপৰ্বতৰ মনোভৱ গুহাৰ ভিতৰত যোনিমণ্ডল আছে। এই পাঁচক্ৰোশৰ ভিতৰত প্ৰধানকৈ ব্ৰহ্মশৈল, নীলশৈল, মণিপৰ্বত, ভস্মাচল আদি পৰ্বত আছে। কামাখ্যাৰ যোনি মণ্ডলৰ বিষয়ে যোগিনী তন্ত্ৰত আছে—

"পূজনে জপনে চৈব দ্বিগুনং দ্বিগুনং ফলং।
নৰযোনিঃ সমখ্যাতা কামাখ্যা যোনিমণ্ডলং।।
অযোনিমহীপৰ্য্যন্তা যা বিদ্যা গন্ধমাদনং।
পঞ্চক্ৰোশমিদং দেৱি সৰ্ব্বেষামেব দুৰ্লভং।।
ব্ৰহ্মাবিষ্ণুসুৰেশদ্যৈঃ সেবিতং পৰমাদ্ভুতং।।
দেৱা মৰণমিচ্ছন্তি কা কথা মানুষেষু চ।।"

একাদশ পটল, শ্লোক— ২৮-৩০)

অৰ্থাৎ কামাখ্যা যোনিমণ্ডলক নৰযোনি বুলি শাস্ত্ৰত কয়। হে দেবি! এই যোনিৰ পৰা মহী পৰ্যন্ত আৰু বিদ্যাৰ পৰা গন্ধমাদন পৰ্যন্ত এই পাঁচ ক্ৰোশ ঠাই সকলোৰে দুৰ্লভ ঠাই। ই পৰম অদ্ভুত আশ্বৰ্যজনক ঠাই আৰু ব্ৰহ্মা-বিষ্ণু আদি দেৱতাসকলৰ পৰম নমস্য ঠাই। মানুহৰ কথা নকওঁয়েই দেৱতাসকলেও এই ঠাইত মৃত্যু কামনা কৰে।

আকৌ মনোভৱ গুহাৰ বিষয়ে আছে—

"মনোভৱগুহা বহ্নৌ দেব্যা শিখৰমুন্নতং।
তন্নহোগ্ৰমিতি খ্যাতং পীঠং পৰমদুৰ্লভং।।
সিদ্ধীকালী ব্ৰহ্মৰূপা দেৱতা ভূৱনেশ্বৰী।
নিবসেওত্ৰ যা কালী ঘোৰদৈত্যবিনাশিনী।।
তৎপীঠোপৰি সংবিশ্য দশধা চ জপেন্ননং।
তদা মন্ত্ৰঃ বিশুদ্ধিঃ স্নাৎ তদ্দেহেন শিৱো ভৱেৎ।।

অৰ্থাৎ মনোভৱ গুহাৰ বহ্নিত দেৱীৰ শিখৰ উন্নত হৈ আছে, সেই পৰম দুৰ্লভ পীঠ মহোগ্ৰ নামে বিখ্যাত। সেই পীঠত ঘোৰ দৈত নাশিনী সিদ্ধিকালী, ব্ৰহ্মাৰূপা ভূৱনেশ্বৰী দেৱী বাস কৰি আছে। সেই পীঠৰ ওপৰত বহি দহবাৰ মন্ত্ৰ জপ কৰিলে মন্ত্ৰ সিদ্ধি হয় আৰু তেওঁ শিৱৰ সদৃশ হয়। (শ্ৰী নৰজ্যোতি দেৱ চৌধুৰী, "পুণ্যভূমি অসম" পৃঃ ১২৬-১২৭.)

কামাখ্যা উৎপত্তি সম্বনে বিভিন্ন কাহিনী বা জনশ্ৰুতি আছে। সেইবোৰ ভিতৰত তলত কিছুমান উলেখ কৰা হ'ল—

পৌৰাণিক কথা অনুসৰি ভগৱান বিষ্ণুৱে সুদৰ্শন চক্ৰৰ দ্বাৰা মহাসতীৰ দেহটো ৫১ টা ভাগত কাটি দেশৰ বিভিন্ন

ঠাইত পেলাইছিল। সতীৰ দেহৰ অংগ পৰা ঠাই কেইখন একো একোখন তীৰ্থস্থানলৈ ৰূপান্তৰিত হৈছিল।

কোৱা হয় কামৰূপত সতীৰ যোনী অংশ পৰিছিল বাবে এই পীঠৰ নাম কামাখ্যা হয়।

যোগিনী তন্ত্ৰত দেৱী ভগৱতীয়ে শিৱক প্ৰশ্ন কৰিছে— "কামাখ্যা কোন মোক কোৱা।" শিৱই উত্তৰ দিছে— "কামাখ্যা দেৱী ব্ৰহ্মৰূপা, পৰমবিদ্যাৰে অভিন্ন।" শিৱই আৰু ক'লে যে কালী আৰু কামাখ্যা অভিন্না। দেবীয়ে কালীৰূপে অৱতীৰ্ণ হৈ কেশী দৈত্যক বধ কৰি এটি নতুন ৰূপ ল'লে যোনি মণ্ডল, ইয়াক অৰ্চনা কৰি ব্ৰহ্মাই ভৱিষ্যতে সৃষ্টি ৰচিবলৈ সম্ভৱ হ'ব। কামাখ্যাৰ যোনীপীঠ আৰু যোনীমণ্ডল ভিন্নঠাই। যোনী পীঠৰ অন্তৰ্গত নীল পৰ্বতৰ মনোভাৱ গুহাৰ ভিতৰত যোনীমণ্ডল অৱস্থিত। পিছে যোনিমণ্ডলক কামাখ্যাবোলাৰ কাৰণ যোগিনী তন্ত্ৰই জনোৱা নাই।

কালিকা পুৰাণে কয়— দেৱীয়ে গোপনে শিৱৰ সৈতে সম্ভোগ কৰিবৰৈ বিচৰাত দেৱীৰ নাম কামাখ্যা হয়। পুৰাণখনিত (৬০/৫৬) দেৱী কামাখ্যাৰ দুটা ভিন্ন ৰূপৰ ছবি আঁকিছে এটা সম্ভোগ আৰু আনটো সংহাৰ মূৰ্তি। প্ৰথম মূৰ্তিত দেৱীয়ে হাতত ফুলৰ মালা লৈ ৰঙা পদুম ফুলৰ ওপৰত আসন লয়। দ্বিতীয় মূৰ্তিত দেৱীয়ে হাতত খৰ্গ লৈ প্ৰেতৰ ওপৰত আসন ভংগীত থাকে। দুটা ভিন্ন সময়ত এই ৰূপ দুটাৰ বিকাশ সম্ভৱ হৈছে।

কামাখ্যা শব্দটোৰ মূলগত অৰ্থ-কামা নামক। দেৱীৰ আন আন নাম কামা (কামদা-কামিনী-কামা-কান্তা-কামাংগ দায়িনী-কালিকা (৬২/২)। ড° বাণীকান্ত কাকতীয়ে কামা শব্দটো আৰ্যভিন্ন অষ্ট্ৰিক ভাষাৰ পৰা অহাৰ সম্ভাৱনা লক্ষ্য কৰিছে। কামাই (পুৰণি খামেৰ), কামায়ত (ছাম), কামেত (খাচী) কোমুই (চাওতালী) আদি শব্দৰ অৰ্থ হ'ল প্ৰেত বা মৰাশ। কেশী দৈত্যৰ শ্মশালত আৱিৰ্ভাৱ দেৱীৰ এটি নাম কামা। ড° কাকতিয়ে কেশী শব্দটোও অষ্ট্ৰিকৰ পৰা অহা বুলি অনুমান কৰিছে। খাচি ক্সোহ (মৰল গছ)>কেমেহে>কেশে>কেশি ড° কাকতিয়ে অনুমান কৰিছে সৰল গছৰে আবৃত এখনি শ্মশান আছিল। সেই গছ পুৰি পৰ্বত মুকলি কৰি কোনোবাই কামা নামৰ শ্মশান দেৱীৰ অৰ্চনা আৰম্ভ কৰে। কালক্ৰমত সেই কামাদেৱীয়ে মহাকালীলৈ ৰূপান্তৰিত হ'ল। যোগিনীতন্ত্ৰ আৰু কালিকা পুৰাণৰ উপাখ্যান আৰু কামা শব্দই অনুমান কৰাত সহায় কৰে যে মহাকালীৰ অৰ্চনা অসম ভূমিত সংহাৰ মূৰ্তিত চলি তন্ত্ৰ যুগত যোনী পূজাৰ প্ৰৱৰ্তনৰ লগে লগে 'কামাকালীৰ সংহাৰ মূৰ্ত্তিৰ দ্বৈত ৰূপ হিচাপে যোনিপূজা ইয়াত চামিল কৰা হ'ল।

ইয়াৰোপৰি, "অসমৰ জনজাতি সমূহৰ মাজত দেৱী উপাসনা প্ৰৱন্ধত প্ৰশান্ত কুমাৰ চুতীয়াই উল্লেখ কৰিছে যে "বৰ্তমানে ভৌগলিকভাৱে অসমৰ পৰা বিতাৰিত মেঘালয়ৰ খাচীসকলৰ সৈতে অসমীয়া জন সংস্কৃতিৰ ওতপ্ৰোত সম্পৰ্ক আছিল। অষ্ট্ৰিক মূলীয় খাচীসকলে অতীতত কামাখ্যা অঞ্চল আৰু উত্তৰ কাছাৰৰ পাহাৰীয়া অঞ্চলত বাস কৰিছিল। গতিকে ড° বাণীকান্ত কাকতীৰ দৰে গৱেশক সকলে "কামাখ্যা" শব্দটো খাচীসকলৰ পৰাই ওলাইছে বুলি থিৰাং কৰিছে। মাতৃতান্ত্ৰিক খাচীসকলৰ "কা মেইখা" শব্দটোৰ অৰ্থ হ'ল "কা"— নাৰী বাচক উপসৰ্গ; 'মেইখা'— প্ৰসৱকাহিনী মাতৃ। Dr. Hamlet Borah ই "The History and Culture of the Khashi People" গ্ৰন্থত উল্লেখ কৰিছে যে 'কা-মেইখা' ই খাচীসকলৰ উপাস্য দেৱী আছিল আৰু মন্দিৰটোৰ প্ৰাচীন শিলাবোৰত অষ্ট্ৰিকসকলৰ কলাশৈলী সুস্পষ্ট। পিছত বড়ো (অনাৰ্য্য) সকলৰ ৰজা নৰকেই এই অষ্ট্ৰিক মূলীয় খাচীসকলক বিতাৰিত কৰি কামাখ্যাক হিন্দুৰ আৰাধ্য দেৱলৈ ৰূপান্তৰ কৰে। খাচীসকল মূলতঃ মাতৃ প্ৰধান জনজাতি বাবে তেওঁলোকেই কামাখ্যাত যোনি পূজাৰ পৰম্পৰা গঢ়ি তোলে। কালাপাহাৰে কামাখ্যা মন্দিৰ ধংস কৰিছিল বুলি ইতিহাসে সোৱৰায়। কিন্তু ইয়াতো দ্বিমত আছে।

নৰনাৰায়ণে গুৱাহাটী কামাখ্যামন্দিৰ পুনৰ নিৰ্মান (১৫৬৫খৃঃ) কৰাৰ উপৰিও হাজোৰ হয়গ্ৰীৱ মাধৱৰ মন্দিৰটোৰ পুনৰ নিৰ্মানি কামো আৰম্ভ কৰিছিল। কিন্তু এই কাম খৃঃ ১৫৮৩ ত ৰঘুদেৱৰ দিনতহে সম্পূৰ্ণহৈ উঠে। কামাখ্যা মন্দিৰ নিৰ্মান নৰনাৰায়নৰ দিনত হোৱা সাংস্কৃতিক অগ্ৰগতি অন্যতম শ্ৰেষ্ঠ উদাহৰণ বুলি ক'ব পাৰি। 'মেঘ মুকুন্দম' নামৰ এজন বিষয়াৰ তত্বাৱধানত ছয়মাহ জুৰি চলা কাৰ্যৰদ্বাৰা এই মন্দিৰ পুণৰ নিৰ্মিত হৈ উঠে। নিৰ্মান কাৰ্য সম্পূৰ্ণ হোৱাৰ পিছত দুৰ্গাদেৱীলৈ উৎসৰ্গা কৰিবৰ নিমিত্তে নৰনাৰায়ণ আৰু চিলাৰায় স্বয়ং ইয়াত উপস্থিত আছিল। মন্দিৰৰ সকলো কাৰ্য্য নিয়াৰিকৈ চলাবৰ বাবে চমাৰ, কমাৰ, মুচী, তাঁতী, ধোবা, নাপিত আৰু অন্যান্য এশচল্লিশঘৰ পাইক কামাখ্যাত বহুৱাইছিল। নৰনাৰায়ণে নিজৰ আৰু ভায়েক চিলাৰায়ৰ মূৰ্ত্তি নিৰ্মান কৰি কামাখ্যা মন্দিৰৰ প্ৰৱেশ দ্বাৰত স্থাপন কৰিছিল। কামাখ্যা মন্দিৰত এতিয়াও নৰনাৰায়ণ আৰু চিলাৰায়ৰ মূৰ্ত্তি খোদিত অৱস্থাত আছে। এখন লিপিত শতাব্দ ১৪৮৭ত কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণ কৰাৰ কথা উল্লেখ কৰাৰ লগতে নৰনাৰায়ণ আৰু চিলাৰায়ৰ গুণাৱলী উল্লিখিত হৈছে। নৰনাৰায়ণৰ ভ্ৰাতৃ চিলাৰায়ৰ প্ৰতি থকা স্নেহ এই লিপিখনত প্ৰতিফলিত হৈছে।

নীলাচল পাহাৰত বহুতো মূৰ্তি আৰু ভাস্কৰ্য উদ্ধাৰ হৈছে। সেইবোৰ পুৰাতত্ব বিভাগৰ দ্বাৰা সংৰক্ষিত হৈ আছে।

সেইবোৰৰ ভিতৰত ভৈৰৱমূৰ্তি, পদুম ফুল, সিংহ ইত্যাদিৰ নক্সা কটা শিলৰ দুৱাৰ ইত্যাদিয়ে প্ৰধান। সেইবোৰ ঐতিহাসিক সকলে ৮ম শতিকাৰ পৰা ১৭শ শতিকাৰ ভিতৰত বুলি অনুমান কৰিছে। কামাখ্যা মন্দিৰৰ ওপৰত বগলা, ভৈৰৱী, তাৰা, কালী, চিন্নমস্তা, কামেশ্বৰ, সিদ্ধেশ্বৰ কৌটিলিংগ, কমলা আদি দেৱ-দেৱীৰ মন্দিৰ আছে। ইয়াত আহোম ৰজা ৰাজেশ্বৰ সিংহ আৰু গৌৰীনাথ সিংহৰ তামৰ ফলি আৰু ৰাজেশ্বৰ সিংহ আৰু প্ৰমত্তসিংহৰ শিলালিপি আছে। অতীতত মন্দিৰলৈ উঠি যাব পৰাকৈ সুন্দৰ প্ৰাচীন খটখটি আছিল ("মেখেলা উজুৱা", নৰকে সজাইছিল একে ৰাতিৰ ভিতৰত")

পূণ্যতীৰ্থ কামাখ্যাধামে প্ৰচীন কালৰে পৰাই ধৰ্মীয় ঐতিহ্য বহন কৰি আহিছে। কামাখ্যাত বলি-বিধান আছে। প্ৰতিদিনে পূজা-পাঠ কৰা হয়। অগনন ভক্তৰ সমাগম হয় অম্বুবাচী মেলাত।

হিন্দুধৰ্মৰ লোকসকলে অম্বুবাচীৰ লগত সংগতি ৰাখি শক্তিপূজাৰ স্থলসমূহত প্ৰত্যেক বছৰে মেলাৰ আয়োজন কৰি আহিছে। নীলাচল পাহাৰত অৱস্থিত কামাখ্যা ধামতো প্ৰত্যেক বছৰে এই অম্বুবাচী মেলা অনুষ্ঠিত কৰা হয়। এই শক্তিপীঠত কোনো প্ৰতিমূৰ্তি নাই যদিও মূলমন্দিৰত মা কামাখ্যাৰ যোনী পীঠৰ শিলৰ ভাস্কৰ্য্যত পূজা কৰা হয়, যিটো অহৰহ বৈ থকা প্ৰাকৃতিক নিজধা এধাৰিয়ে সকলো সময়তে সিক্ত কৰি ৰাখে।

কালিকা পুৰাণ মতে অম্বুবাচীৰ দিন কেইটাত কামাখ্যা ধামৰ ওচৰত সকলো মাটি, বালি, আকাশ, বতাহ ভক্তি ৰসেৰে মুখৰিত হৈ থাকে। জনবিশ্বাসৰ মতে এই অম্বুবাচীৰ সময়ত মা-কামাখ্যা ৰজঃ স্বলা হোৱা বাবে আহাৰ মাহৰ সাত তাৰিখৰ পৰা অৰ্থাৎ প্ৰবৃত্তিৰ দিনৰ পৰা কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ ৰখা হয়, ফলত দেৱীৰ দৰ্শন নিষিদ্ধ হৈ পৰে। এই সময়ছোৱাত মন্দিৰত কোনো ধৰণৰ পূজা-পাতল বা ধৰ্মীয় গ্ৰন্থ আদি পাঠ কৰা নহয়। সমগ্ৰ শক্তিস্থল ৰঙা ৰঙেৰে ৰঙীন হৈ পৰে আৰু সকলো ভক্তই সমস্বৰে মা-কামাখ্যা ধ্বনিৰে মন্দিৰ প্ৰাংগন মুকৰিত কৰি তোলে। কথিত আছে যে এই কেইদিন সমগ্ৰ নীলাচল পাহাৰখনেই অতি পবিত্ৰ হৈ পৰে আৰু ইয়াত ভৰি দিলে বহুত পূন্য অৰ্জন কৰাৰ নিচিনা ফল পায়। চতুৰ্থ দিনা অৰ্থাৎ নিবৃত্তিৰ দিনা মন্দিৰৰ দুৱাৰ খোলাৰ লগে লগে দেৱীৰ স্থান কাৰ্য্য সম্পাদন কৰি শুচি কৰা হয় আৰু যাৱতীয় পূজা আদি সম্পন্ন কৰি দৰ্শনাৰ্থীৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰি দিয়া হয়।

এইদিনকেইটাত ভাৰতবৰ্ষৰ ভিন্ন প্ৰান্তৰৰ উপৰিও বিদেশৰ পৰা অহা লাখ লাখ ভক্ত, সাধু সন্যাসী আদিয়ে মন্দিৰৰ চৌপাশে ভিৰ কৰেহি আৰু ইয়াত বাহৰ পাতি নাম কীৰ্ত্তন কৰে। অম্বুবাচীৰ নিবৃত্তিৰ দিনা পাণ্ডাসকলে ভক্তসকলক ৰঙা বস্ত্ৰ আগবঢ়ায়। এই বস্ত্ৰ ধাৰণ কৰিলে অভিষ্ট সিদ্ধি হয় বুলি লোক বিশ্বাস আছে। নিবৃত্তিৰ পিছত ভক্তসকলে দেৱীমাৰ দৰ্শন কৰি নিজকে ধন্য মানে।

অম্বুবাচী মেলা ঘণিষ্ঠবাৰে তান্ত্ৰিক সংস্কৃতিৰ লগত জড়িত আৰু মা-কামাখ্যা দৰ্শন লাভ কৰাৰ পিছত ভক্তসকলে নানান ঠাইৰ পৰা অহা তান্ত্ৰিক আৰু সাধু সকলৰ পৰাও আশীৰ্বাদ লয়। কামাখ্যাৰ অম্বুবাচী মেলাত লাখ লাখ ভক্তৰ সমাগম হয় কাৰণে এই মেলাক "উত্তৰ পূৰ্ৱাঞ্চলৰ মহাকুম্ভ মেলা' বুলি অভিহিত কৰা হয়।

অম্বুবাচী মেলাৰ বৈজ্ঞানিক ভিত্তি নাথাকিলেও জন বিশ্বাস আৰু সুস্থ পৰম্পৰাজনিত লোকাচাৰেৰে পৃথিবীৰ মংগল কামনা কৰি নৈতিকভাৱে আৰু সকলোৰে হিতৰ বাবে আই বসুমতীৰ চৰণত প্ৰণাম জনাই অতীতৰ পৰা এতিয়ালৈ এই মেলাৰ আয়োজন কৰি অহা হৈছে।

পৰ্যটকসকলৰ কাৰণে এই মেলা যথেষ্ট গুৰুত্বপূৰ্ণ। অম্বুবাচীমেলাই আন্তৰ্জাতিক আৰু জাতীয় সম্প্ৰীতি ৰক্ষা কৰাত যথেষ্ট অৰিহণা যোগাই আহিছে। ❑

**প্ৰসংগ পুথি ঃ**

১। 'অসম দেশ্যৰ বুৰঞ্জী'- লক্ষ্মী দেৱী।
২। 'পূণ্যভূমি অসম'- নৰজৌতি দেৱ চৌধুৰী।
৩। "A Cultural History of Assam" – B.K. Barua.
৪। "The History and Culture of the Khashi People"– Dr. Hambet Borah.